মৰ্ + আ = **মৰা**

পি + আ = **পিয়া** ইত্যাদি।

-উৱা/-ওৱা প্ৰত্যয় যুক্ত ঃ পঢ়্ + উৱা = **পঢুৱা**

কান্দ্ + উৱা = **কন্দুৱা**

হাঁহ্ + উৱা = **হহুঁৱা**

নাচ্ + উৱা = **নচুৱা**

দেখ্ + উৱা = **দেখুৱা**

ধো + উৱা = **ধুউৱা**

পলা + উৱা = **পলুৱা**

কৰ্ + ওৱা = **কৰোৱা** ইত্যাদি।

কেতিয়াবা একেটা মৌলিক ধাতুতে দুটা ভিন্ন পাঁচনি প্ৰত্যয় যোগ কৰি গঠন কৰা পাঁচনি ধাতু দুটাৰ মাজত অৰ্থৰ পৰিবৰ্তন ঘটে। যেনে,

**পঢ়াওঁ** (নিজে আনক পঢ়াওঁ)

**পঢুৱাওঁ** (আনৰ পঢ়াৰ দায়িত্ব বহন কৰোঁ)

সেইদৰে **কৰাওঁ**, কৰোৱাওঁ। অৱশ্যে ইয়াৰ মাজত থকা পাৰ্থক্য অতি সূক্ষ্ম। পাঁচনি ধাতুবোৰ বিভিন্ন পুৰুষ আৰু কালত ৰূপ কৰিলে পাঁচনি ক্ৰিয়াপদ পোৱা যায়।

**নামধাতু ঃ** সাধাৰণতে বিশেষ্য আৰু বিশেষণ শব্দত প্ৰত্যয় যোগ কৰি নামধাতু গঠন কৰা হয়। অসমীয়াত নামধাতু গঠন কৰা **প্ৰত্যয় তিনিটা ঃ -আ, -ইয়া আৰু -উৱা**। এই প্ৰত্যয় যোগ হোৱাৰ পাছত কেতিয়াবা নামপদটোৰ আদ্যক্ষৰৰ স্বৰৰ পৰিবৰ্তন ঘটে। উদাহৰণ,

| বিশেষ্য/বিশেষণ | প্ৰত্যয় | নামধাতু |
|---|---|---|
| কিল | আ | কিলা |
| চৰ | আ | চৰা |
| বোল | আ | বোলা |
| ভুকু | আ | ভুকুৱা |
| লাঠি | আ | লঠিয়া |
| আঙুলি | আ | আঙুলিয়া |
| তপত | আ | তপতা |
| বহল | আ | বহলা |
| ডাবি | আ | ডাবিয়া |
| টাঙন | ইয়া | টঙনিয়া |
| ৰিঙ | ইয়া | ৰিঙিয়া |
| আগ | উৱা | আগুৱা |
| পাচ | উৱা | পাচুৱা ইত্যাদি। |

পাঁচনি ধাতুৰ দৰে নামধাতুবোৰো বিভিন্ন পুৰুষ আৰু কাল অনুযায়ী ৰূপ কৰি নতুন নতুন নামক্ৰিয়া পদ গঠন কৰিব পাৰি।

**ধ্বন্যাত্মক ধাতু ঃ** ধ্বন্যাত্মক ধাতুবোৰ একপ্ৰকাৰ নামধাতুৱেই। কোনো ধ্বনিৰ অনুকৰণত সৃষ্টি হোৱা ধ্বন্যাত্মক শব্দবোৰ সাধাৰণতে নামশব্দ। এই শব্দবোৰৰ পাছত বিবিধ প্ৰত্যয় যোগ দি এইবোৰ নামধাতু, বিশেষণ, ক্ৰিয়াবিশেষণ আদিলৈ ৰূপান্তৰ কৰিব পাৰি। ধ্বন্যাত্মক শব্দবোৰৰ কিছুমান এটা অংশ আৰু কিছুমান সচৰাচৰ দুটা অংশৰে গঠিত। অসমীয়াত দ্বিৰুক্তি হোৱা ধ্বন্যাত্মক শব্দৰ সংখ্যাই সৰহ। একক বা দ্বিত্ব হোৱা ধ্বন্যাত্মক শব্দত আ প্ৰত্যয় যোগ দি ধ্বন্যাত্মক ধাতু গঠন কৰা হয়। যেনে —

কেঁকু + আ = **কেঁকা**
ফোঁপ + আ = **ফোঁপা**
গুণ্‌গুণ্ + আ = **গুণগুণা**
ফুচ্‌ফুচ্ + আ = **ফুচ্‌ফচা**
দপ্‌দপ্ + আ = **দপদপা** ইত্যাদি।

**১২.০২.৩ যৌগিক ধাতু ঃ** কিছুমান ধাতুৱে কিছুমান বিশেষ্য বা বিশেষণ, অসমাপিকা ক্ৰিয়া, ক্ৰিয়াৰ ভৱিষ্যতকালৰ তৃতীয় পুৰুষৰ ৰূপ, ক্ৰিয়াৰ অতীত কৃদন্ত ৰূপ, তুমুনন্ত ক্ৰিয়াৰূপ আৰু প্ৰত্যয়ান্ত ধাতুৰ পাছত লগ লাগি ভিন্ন অৰ্থ প্ৰকাশক এক শ্ৰেণীৰ নতুন ধাতুৰ সৃষ্টি কৰে।[1] এই ধাতুবোৰৰ দুটা মূল (base) অৰ্থাৎ দুটা ভিন্নমূলীয় ৰূপৰ সংযোগত সৃষ্টি হোৱা ধাতুবোৰেই যৌগিক বা সংযুক্ত ধাতু। উদাহৰণ ঃ

(ক) বিশেষ্য আৰু বিশেষণৰ পাছত ধাতু যোগ ঃ

**নাম কৰ্, ভাল কৰ্, কাম চাপ, মাছ মাৰ্**
**আৰম্ভ কৰ্, শেষ কৰ্, চুটি কৰ্, চমু কৰ্** আদি।

(খ) অসমাপিকা ক্ৰিয়াৰ পিছত ধাতু যোগ ঃ

**খাই পেলা, পৰি যা, লৈ যা, বহি থাক**
**ৰাখি থ, কৈ চা, বাগৰি পৰ** ইত্যাদি।

(গ) ক্ৰিয়াৰ ভৱিষ্যতকালৰ তৃতীয় পুৰুষৰ ৰূপৰ পাছত ধাতুযোগ ঃ

**খাব পাৰ্, ক'ব পাৰ, যাব খোজ,**
**বহিব পাৰ্, কৰিব পাৰ, পঢ়িব পাৰ্** আদি।

(ঘ) ক্ৰিয়াৰ অতীত কৃদন্ত ৰূপৰ পাছত ধাতু যোগ ঃ

**ধৰা পৰ্, অহা-যোৱা কৰ্, খোৱা কৰ্,**
**মৰা পৰ্, শোৱা কৰ্** আদি।

(ঙ) নিমিত্তাৰ্থক ক্ৰিয়া-ৰূপৰ পাছত ধাতু যোগ ঃ

১. উপেন্দ্ৰনাথ গোস্বামী ঃ অসমীয়া ভাষাৰ ব্যাকৰণ, পৃ. ৮৮